# অসম আদিত্য

চ'ত, ১৯৪৪ শক ■ বৃহস্পতিবাৰ, ৬ এপ্ৰিল, ২




*মাজুলীৰ পৰা প্ৰকাশিত 'পলস'ৰ বিশেষ উদ্যোগ*

## ড° শশীকান্ত শইকীয়াক 'দীনবন্ধু' উপাধি প্ৰদান

**প্ৰতিবেদক, মাজুলী, ৫ এপ্ৰিল ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য, ডিবৰু হিতৈষী সন্মানেৰে বিভূষিত ড° শশীকান্ত শইকীয়াক মাজুলীৰ জনপ্ৰিয় আলোচনী 'পলস'ৰ তৰফৰ পৰা 'দীনবন্ধু' উপাধি প্ৰদান কৰে। ৩ এপ্ৰিলৰ বিয়লি ৰোমহৰ্ষণ দেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শ্ৰীশ্ৰী দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামীয়ে অধ্যক্ষগৰাকীক এই সন্মান প্ৰদান কৰে। সত্ৰাধিকাৰগৰাকীয়ে কয়— অধ্যক্ষ ড° শইকীয়া দীনহীন, আৰ্ত, নিঃস্বজনৰ হকে কাম কৰি আহিছে। মাজুলীৰ মানুহ, মাজুলীৰ বতাহ, পানী, পৰিৱেশে তেওঁক কেতিয়াও পাহৰিব নোৱাৰে। 'পলস'ৰ মুখ্য সম্পাদক, বিশিষ্ট কবি পাপু বৰাই উদ্দেশ্যে ব্যাখ্যা কৰা সভাখনৰ আঁত ধৰে ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যাপিকা, কবি পাৰুল বৰা মিলিয়ে। যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° মানিক শইকীয়াই অনুষ্ঠানটো সঞ্চালনা কৰি কয়— এনেধৰণৰ কাম-কাজে মানুহক সমাজৰ প্ৰতি কাম কৰিবলৈ অধিক উৎসাহ আৰু শক্তি দিয়ে। এজন উপযুক্ত ব্যক্তিক এনে সন্মান প্ৰদান কৰাৰ বাবে পলস আলোচনীৰ সম্পাদক তথা জনপ্ৰিয় কবি পাপু বৰা প্ৰমুখ্যে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটো উদ্বোধন কৰি দৈনন্দিন বাৰ্তা আৰু ডি বি নিউজৰ কাৰ্যবাহী সম্পাদক ডিম্পল চুতীয়াই কয়— তেওঁ মোৰ শিক্ষাগুৰু। তেওঁৰ দৰে এগৰাকী ব্যক্তিক এনে উপাধি প্ৰদান কৰা অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই পৰম সৌভাগ্যৱান। লিপিকা হাজৰিকা বাৰিকে পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ হোৱা মননশীল অনুষ্ঠানত নগাঁৱৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক নৱ কুমাৰ বৰা, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গাম, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ ফুকন, মৰাণৰ বিশিষ্ট কবি কৃষ্ণকায় মাঝি, বিশিষ্ট লেখক প্ৰদীপ বৰুৱা, ডিম্বেশ্বৰ ভূঞা, দীপ ভূঞা, কবি যতীন্দ্ৰ নাথ মুদৈ, লক্ষী প্ৰসাদ শৰ্মা, ৰামসাগৰ নাথ, আৰক্ষী বিষয়া বিনোদ কলিতা, অনাতাঁৰ শিল্পী বিষ্ণু দাস, অসম সাহিত্য সভাৰ কুঁহিৰ উপ-সমিতিৰ আহ্বায়ক শংকুসিদ্ধ নাথ, সমাজকৰ্মী ভূপেন দত্ত, প্ৰণৱ মিশ্ৰ, দীপ ভূঞা, মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক ৰাজেন বৰা প্ৰমুখ্যে দুই শতাধিক মাজুলীৰ গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে শ্ৰীশ্ৰী দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱগোস্বামী, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াক গায়ন-বায়নেৰে আদৰি অনা অনুষ্ঠানটোত 'বসন্তৰ ৰং' শীৰ্ষক নৃত্য, গীত, কবিতাৰ এক মননশীল কাৰ্যসূচী অনুষ্ঠিত হয়। একেখন সভাত ড° মানিক শইকীয়াই কবি, সাহিত্যিক প্ৰদীপ বৰুৱাৰ 'ঢোল পেঁপাই ৰিঙিয়াই' নামৰ এখন গ্ৰন্থও উন্মোচন কৰে।



## মঠিয়াছিগাত শিৱসাগ
## প্ৰাইজমানি যোগাস

**প্ৰতিবেদক, নাজিৰা ৫ এপ্ৰিল ঃ** সদৌ অসম যোগাসন ক্ৰীড়াৰ তত্ত্বাৱধানত শিৱসাগৰ জিলা যোগাসন ক্ৰীড়া সন্থাৰ উদ্যোগত, মঠিয়াছিগা যোগচৰ্চা কেন্দ্ৰ আৰু স্থানীয় ৰাইজৰ সহযোগত দেওবাৰে এদিনীয়াকৈ মঠিয়াছিগা ৰাজমাও উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰা হয় শিৱসাগৰ জিলা ভিত্তিত প্ৰাইজমানি যোগাসন প্ৰতিযোগিতা। শিৱসাগৰ জিলা ভিত্তিত আয়োজিত এই প্ৰাইজমানি যোগাসন প্ৰতিযোগিতাত দুইশতাধিক প্ৰতিযোগীয়ে

অং
আ
ক্ৰী
কি
যো
এই
পয
অব

## লণ্ডনৰ নেহৰু

**প্ৰতিবেদক, নগাঁও, ৫ এপ্ৰিল ঃ** ভাৰতৰ 'স্বাধীনতাৰ অমৃত মহোৎসৱ'ৰ সৈতে সংগতি ৰাখি লণ্ডনস্থিত ভাৰতৰ হাই-কমিছন আৰু এচ.এম.ডি ফাউণ্ডেশ্যনৰ দ্বাৰা আয়োজিত আন্তৰ্জাতিক চিত্ৰকলা মহোৎসৱত সাঁচিপাতত অঁকা পুথিচিত্ৰৰ লগতে কেনভাচত পুথিচিত্ৰ